(ঙ) ‘শৰৎ বৰ্ণনা’ কবিতাংশত শৰৎকালৰ কি কি মহাগুণৰ কথা মহাপুৰুষজনাই বৰ্ণনা কৰিছে, কবিতাংশৰ সহায়ত আলোচনা কৰা।

(চ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ ‘গঢ়া কৰি মোক ঝাড়ুদাৰ’ শীৰ্ষক কবিতাটিত কবিয়ে সমাজ-সংস্কাৰৰ বাবে কি কৰিবলৈ উপদেশ দিছে, বহলাই আলোচনা কৰা।

★★★





# 2013

## ASSAMESE

## ( Modern Indian Language )

*Full Marks : 60*

*Time : 2½ hours*

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×৭=৭

(ক) মহাপুৰুষ শংকৰদেৱে ৰচনা কৰা কাব্যগ্ৰন্থ এখনৰ নাম লিখা।

(খ) কবি কমলাকান্ত ভট্টাচাৰ্য্যক কি কবি আখ্যা দিয়া হৈছে?

(গ) অসমীয়া সাহিত্যৰ প্ৰথম ৰোমান্টিক কবিতাটিৰ নাম লিখা।

(ঘ) লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাপুথিখনৰ নাম কি?

(ঙ) অমূল্য বৰুৱাৰ ‘অচিনা’ কাব্যগ্ৰন্থখন কোন চনত প্ৰকাশিত হৈছিল?

(চ) মহাপুৰুষ শংকৰদেৱে ‘বৰাৰ পো’ বুলি কোনজনা শিষ্যক সম্বোধন কৰিছিল?

(ছ) কবি হীৰেণ ভট্টাচাৰ্য্যৰ কোন চনত জন্ম হৈছিল?

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) কমলাকান্ত ভট্টাচাৰ্য্যৰ কবিতাপুথি দুখনৰ নাম লিখা।

(খ) "তাৰাৰ মধ্যত শোভৈ আকাশত
অখণ্ড মণ্ডল শশী।"

কবিতাংশত 'তাৰা' আৰু 'অখণ্ড মণ্ডল শশী' বুলি কাৰ কাৰ কথা কোৱা হৈছে?

(গ) মাধৱদেৱৰ বৰগীতটিত উল্লেখ থকা শ্ৰীকৃষ্ণৰ সখী দুগৰাকীৰ নাম লিখা।

(ঘ) কবি অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাত দুই ধৰণৰ সুৰ শুনিবলৈ পোৱা যায়। সেই সুৰ কি কি?

৩। নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো **তিনিটা**) : ৫×৩=১৫

(ক) "মুকুতা মণিটি পাহিত জিলিকে
ফটিক পানীত ধোৱা
নিশাৰ তৰা এটি সৰিয়েহে আছে
সৰগত টোপনি যোৱা।"

উদ্ধৃত কবিতাংশ পাঠ্যপুথিৰ কোনটো কবিতাৰ পৰা অনা হৈছে? কবিতাটিত 'মুকুতা মণি' বুলি কাৰ কথা কৈছে, আলোচনা কৰা।

(খ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিত্ব প্ৰতিভাৰ পৰিচয় দিয়া।





(গ) "ভাবৰে প্ৰতিমা ভাবতে বাঢ়িছে
ভাবৰে বেহানি কৰে;
বুকুৰে ভিতৰত চেনেহৰ সঁফুৰাত
মালতীৰ চেনেহকণ চৰে।"

কবিতাটিৰ আধাৰত ভাবাৰ্থ ব্যাখ্যা কৰা।

(ঘ) বৰগীত কাক বোলে? বৰগীতৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ লিখা।

৪। নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো **তিনিটা**) : ১০×৩=৩০

(ক) সাম্প্ৰতিক অসমীয়া কবিতাশৈলীৰ প্ৰধান বিশেষত্বসমূহ দাঙি ধৰি 'মোৰ দেশ' কবিতাত সেই বিশেষত্বসমূহ কেনেদৰে প্ৰতিফলিত হৈছে, উদাহৰণসহ আলোচনা কৰা।

(খ) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'নিয়ৰ' কবিতাটিত প্ৰকৃতিৰ ৰহস্যময়ী ৰূপ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(গ) এডোখৰ শিল দেখি কবি কমলাকান্ত ভট্টাচাৰ্য্যৰ মনত কেনে ভাবৰ হেন্দোলনি উঠিছিল? এই ভাবৰাশিৰ মাজেৰে কবিৰ স্বদেশপ্ৰীতিৰ মনোভাব কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(ঘ) অমূল্য বৰুৱাৰ 'বিপ্লৱী' কবিতাটিত সমাজ-জীৱনৰ কদৰ্য ছবিখন কেনেদৰে চিত্ৰিত হৈছে, কবিতাটিৰ সহায়ত আলোচনা কৰা।